
# শগুন সংৰক্ষণ কৰো আহক



হীৰেন দত্ত
মানস প্ৰতিম দত্ত






# শগুণ সংৰক্ষণ

# কৰো আহক

**হীৰেন দত্ত**

**মানস প্ৰতিম দত্ত**

# শগুন সংৰক্ষণ কৰো আহক

**শগুন সংৰক্ষণ কৰো আহক**

হীৰেন দত্ত, মানস প্ৰতিম দত্ত

**প্ৰথম প্ৰকাশ:** লকডাউন, এপ্ৰিল ২০২০


**গ্ৰন্থস্বত্ব:** লেখক

**প্ৰচ্ছদ সজ্জা:** অশ্বিনী কোঁৱৰ

**ভিতৰৰ ফটো:** হীৰেণ দত্ত


**মূল্য:** অমূল্য

হীৰেন দত্ত
মানস প্ৰতিম দত্ত




আকৌ
ধোঁৱাৰ মাজেদি উৰি গ'ল চৰাইটো
জলাশয়টোত ককবকাই সেইটো কাৰ
মাত

**নীলমণি ফুকন**




## অর্পণ

পৃথিৱীৰ প্ৰতিটো চৰাইৰ চৰণত......

**শগুণ সংৰক্ষণ কৰো আহক-** এই কিতাপখনি শিক্ষাৰ্থীসকলৰ উপযোগীকৈ লিখা হৈছে। প্ৰকৃতিৰ সৈতে থকা আমাৰ আত্মীয়তা আৰু বান্ধোনক চিনাকি কৰি দিয়াটোৱেই এই কিতাপখনৰ মূল লক্ষ্য। আপোনালোকৰ দিহা-পৰামৰ্শ একান্তই কামনা কৰিলোঁ।প্ৰথমে ই-বুক হিচাপে আপোনালোকলৈ এই কিতাপখন আগবঢ়াই দিলোঁ, ইতিবাচক সহাঁৰি পালে ছপাৰূপত প্ৰকাশৰ চিন্তা কৰিম।


**হীৰেণ দত্ত**

**মানস প্ৰতিম দত্ত**

ফোন:৮৬৩৮৮৭১২১৬

৮৬৩৮৭০৮০৭৮








## সূচী

- **পৰিচয়** ৮
- **শগুণৰ** প্ৰজাতি ৯
- **শগুণ** তেতিয়া আৰু এতিয়া ৯
- সংকটত প্ৰকৃতিৰ জমাদাৰ ১০

# শগুন সংৰক্ষণ

## পৰিচয়



ৰাজ্য:**Animalia**

পৰ্ব:**Chordata**

শ্ৰেণী:**Aves**

বৰ্গ:**Accipitriformes**

পৰিয়াল:**Accipitridae**

গণ: **Gyps**

# শগুণৰ প্ৰজাতি

আমাৰ দেশত সাধাৰণতে ৯ বিধ শগুণ দেখিবলৈ পোৱা যায়। সেইবোৰ হ'ল—Himalayan Griffon Vulture, King Vulture, Cinereous Vulture, Eurassian Griffon Vulture, Long-billed Vulture, Slender-billed Vulture, White-backed Vulture, Egyptian Vulture, Bearded Vulture আকাৰত যথেষ্ট ডাঙৰ চৰাইবিধ পৰিৱেশৰ বন্ধুস্বৰূপ। সেইবাবে অপমাৰ্জক চৰাইবিধক প্ৰকৃতিৰ জমাদাৰ বুলিও জনা যায়।




# শগুণ তেতিয়া আৰু এতিয়া

আমি সৰু হৈ থাকোতে জাক পাতি শগুণ নদী কাষৰীয়া ঠাইত, পাহাৰীয়া ঠাইত উৰি ফুৰা দেখা পাইছিলোঁ । ইহঁতে সাধাৰণতে গেলা-পচা জীৱ-জন্তু সহজে পোৱা ঠাইত থকা যায়। লেতেৰা, পচা মাংস খাই প্ৰদূষণৰ পৰা আমাক ৰক্ষা কৰা এই শগুনবোৰ আজিকালি সহজে দেখা পোৱা নাযায়। ইহঁত ক'লৈ গ'ল বাৰু?

# সংকটত প্ৰকৃতিৰ জমাদাৰ

'মৃত্যুমুখত অন্যতম সংকটাপন্ন পক্ষী, আকৌ মৃত্যু হল ৩৯ টা শগুণ'- আজিকালি বাতৰি কাকতৰ নিয়মীয়া বাতৰিৰ দৰে। ২০১৮ বৰ্ষত কেৱল মাত্ৰ শিৱসাগৰ জিলাতে প্ৰায় ৬০টা শগুণ মৃত্যুমুখত পৰিছে। ২০১৯ বৰ্ষটোও তাৰ ব্যতিক্ৰম নহয়। এইয়া এটা সৰু উদাহৰণ মাত্ৰ। আমি দেখি থাকোতেই বহু চৰাই এই ধৰাৰ বুকুৰ পৰা মেলানি মাগিছে। এনে বহু চৰাই আছে যি আমাৰ অজ্ঞাতে প্ৰকৃতিৰ পৰা বিদায় লোৱাৰ উপক্ৰম হৈছে।



সৌ সিদিনা ২১ এপ্ৰিলৰ দিনা  শিৱসাগৰ জিলাৰ দিচাংমুখৰ জোলাটোপাত পুনৰ শগুনৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে।



বৰ্তমান বিশ্বৰ অন্যতম সংকটাপন্ন পক্ষী হিচাপে চিহ্নিত শগুণক বন্যপ্ৰাণী সুৰক্ষা আইনৰ প্ৰথম দফাত অন্তভূৰ্ক্ত কৰা হৈছে। অসমত চাৰিটা প্ৰজাতি দেখিবলৈ পোৱা যায়। মাজে মাজে দুই এবিধ বেলেগ শগুণেও ভুমুকি নমৰা নহয়। তামুলী বা বিট শগুণ, লাহিঠোটীয়া বা পাতি শগুন, বৰ শগুন, ৰজা শগুণ। যদিওবা চৰাইৰ সমাজত ৰজা ৰাণী আদি পদবী নাই কিন্তু ৰজা শগুনক আন শগুনে সমীহ কৰি চলে কাৰন ইহতৰ ঠোট অন্য শগুণৰ তুলনাত অত্যন্ত চোকা, ইহঁতে আক্ৰমন কৰিলে আঘাটপ্ৰাপ্ত হব পাৰে। ঠোঁট অতি চোকা হোৱাৰ বাবে মৃত জন্তু প্ৰথমে ভক্ষন কৰাৰ সুবিধা পায় ৰজা শগুনে । অন্য শগুনৰ তুলনাত ইহতৰ ব্লেডৰ দৰে চোকা ঠোঁটেৰে মৃত গৰু, হৰিণ আদিৰ টান ছাল অতি সহজে ফালি ছিৰা-ছিৰ কৰি পেলাব পাৰে।



বৰ্তমান শগুণৰ সংখ্যা দ্ৰুত হাৰত কমি যোৱা দেখা গৈছে । ৰজা শগুণ, পাতি শগুণ, তামুলী শগুণৰ সংখ্যা বৰ দুখজনক কিন্তু বৰ শগুণৰ (হিমালয়ান গ্ৰিফন) কমকৈ হলেও দৃষ্টি গোচৰ হয়। কেইবাটাও কাৰকে শগুণ কমি যোৱাত অৰিহণা যোগাইছে ।

শগুণ দ্ৰুত হাৰত কমি যোৱাৰ প্ৰধান কাৰক হিচাপে চিহ্নিত হৈছে ৮০ দশকৰ শেষ ভাগত ইউৰোপত গৰু-ছাগলী আদি পশুধনৰ চিকিৎসা বাবে আৱিস্কাৰ হোৱা ডাইক্লু'ফেনাক নামৰ বিষনাশক ঔষধ । নব্বৈৰ দশকত বিশেষকৈ ১৯৯০ চন মানৰ পৰা এছিয়াৰ দেশ পাকিস্তান, ভাৰত, নেপাল, বাংলাদেশ আদিত এই বিধ ঔষধ প্ৰৱলভাবে ব্যৱহাৰ হবলৈ ধৰে। চিকিৎসাৰ বাবে এইবিধ ঔষধ ব্যৱহাৰ কৰা গৰু-ছাগলী মৰিলে ইয়াৰ শৱ শগুণে ভক্ষন কৰাৰ ফলত ৯৮ শতাংশ শগুন মৃত্যুমুখত পৰা দেখা গৈছে ।



শগুণে সাধাৰনতে ৫০- ১০০ বছৰীয়া হাজাৰটা ধুমুহাই ভাঙিব নোৱাৰা গছতহে বাহ সজা দেখা যায়। বৰ্তমান বয়সীয়াল গছ মানুহৰ অত্যাচাৰত নাইকীয়া হৈছে বুলিবই পাৰি।

শগুণ কমি যোৱাৰ আন এক কাৰন হৈছে ইহতৰ লেহেমীয়া বংশবৃদ্ধি। শগুণ সাধাৰণতে ৫ বছৰত প্ৰাপ্তবয়স্ক হয়, এবাৰত এটাহে কনী পাৰে। কিবা কাৰনত এই আপুৰুগীয়া কনী নষ্ট হ'লে বহুত ক্ষতি হয়। যোগাযোগৰ ব্যস্ত মাধ্যম ৰেললাইনৰ সম্প্ৰসাৰনে শগুণ কমি যোৱাত অৰিহণা যোগাইছে।

প্ৰতিবছৰে ৰেল লাইনৰ ওপৰত পৰি থকা মৃত জীৱ ভক্ষণ কৰি থকা শগুণৰ ১৫-২০ টা ৰেলৰ খুন্দাত মৰা পৰে ।



মানস প্ৰীতম দত্ত

শগুণ মৰাৰ অন্যতম তথা প্ৰধান কাৰন হৈছে জ্ঞানী মানুহৰ এক অবিবেচক কাণ্ড। শেহতীয়াকৈ ঘটা শগুণৰ মৃত্যুৰ অন্যতম কাৰণটো অন্য ৰাজ্য নাযায় মুৰ্খামিৰ বাবে বাৰে বাৰে এনে ঘটনা ঘটা দেখা গৈছে। ঘটনাটো অন্যধৰণৰ, অসমৰ সকলো ঠাইৰ বাটে ঘাটে বহু গৃহস্থ নোহোৱা কুকুৰ দেখিবলৈ পোৱা যায়। পোৱালি অৱস্থাত লোদোৰপোদোৰ ধুনীয়া দেখি আলহ উদহ কৰি আদৰি অনা মাইকী কুকুৰৰ পোৱালিটো মাক হৈ পোৱালি জগোৱাৰ পাছত গৃহস্থৰ এলাগী হৈ বাটৰ অতিথি হব লগা হয়। পেটৰ ভোকৰ তাড়নাত বহুদিন মাংস খাবলৈ নাপালে গৃহস্থৰ পোহনীয়া জন্তুত মুখ দিবলৈ ধৰে। এই গৃহস্থ নোহোৱা কুকুৰে সাধাৰনতে মুকলি পথাৰত ছাগলী,

সৰু গৰু পোৱালি মাৰি ভক্ষণ কৰে। গৃহস্থই হিতাহিত জ্ঞান হেৰুৱাই কুকুৰ মাৰিবলৈ মৃত জন্তুত মাৰাত্মক ফুৰাডন জাতীয় বিহ দি কুকুৰে খাই মৰিবলৈ মুকলি পথাৰত পেলাই থয়। এইসকল গৃহস্থৰ মগজুত এইটোও নেখেলাই যে কুকুৰৰ ঘ্ৰাণ শক্তি প্ৰবল, সিহতে কেতিয়াও বিহ দিয়া মাংস খাবলৈ নাহে। কিন্তু চৰাইৰ ঘ্ৰাণ ল'ব পৰা শক্তি নাই। ফলত মুকলি পথাৰত পেলাই থোৱা বিহ দিয়া খাদ্য শগুণে ভক্ষণ কৰি মৃত্যু মুখত পৰে। এনে ঘটনা  অসমৰ বিভিন্ন ঠাইত বাৰে বাৰে ঘটি থকা দেখা গৈছে ।



শগুণৰ মৃত্যুৰ কাৰক ডাইক্ল'ফেনাক নামৰ ঔষধ বিধ বৰ্তমান নিষিদ্ধ কৰা হৈছে চৰকাৰী ভাৱে। বৰ্তমান শগুনৰ মৃত্যুৰ অন্যতম কাৰক হিচাপে চিহ্নিত হৈছে গৃহস্থবিহীন কুকুৰ। এই সমস্যা সমাধানকল্পে পশু চিকিৎসকৰ জৰিয়তে কুকুৰৰ বন্ধ্যাকৰণৰ কৰি ইহঁতৰ বংশবৃদ্ধি হ্ৰাস কৰিব পৰা যায়। ই এক ফলপ্ৰসু ব্যৱস্থা হ’ব পাৰে। শগুণ হত্যাৰ ক্ষেত্ৰত জড়িত ব্যক্তিৰ ক্ষেত্ৰত আইনগত ব্যৱস্থা লোৱা দৰকাৰ। সকলোৰে সহায় অবিহনে ইয়াৰ সংৰক্ষণ কৰা সম্ভৱপৰ নহয়। বাৰে বাৰে মানুহে কৰা ভুলৰ বাবে শগুণ  দ্ৰুত গতিত হ্ৰাস পাব ধৰিছে। আহকচোন, আমি সকলোৰে প্ৰকৃতিৰ জামাদাৰ শগুণৰ সংৰক্ষণৰ কথা এবাৰ ভাবো ।



প্ৰকৃতিৰ জমাদাৰ শগুণ সংৰক্ষণ কৰাটো

আমাৰ দায়িত্ব আৰু কৰ্তব্য।

